On 16th of October 2022, Birangana Sati Sadhani Rajyik Vishwavidyalaya, Golaghat organised an Inauguration Ceremony of  Ph.D Programme.







INAUGURATION CEREMONY OF
Ph. D. PROGRAMME
Under
BIRANGANA SATI SADHANI RAJYIK
VISHWAVIDYALAYA
Chief Guest:
Mr. Atul Bora
Cabinet Minister, Government of Assam
Prof. Ajanta B Rajkonwar
Vice-chancellor, Assam Women's University





বিদ্যায়তনিক গৱেষণাৰ শুভাৰম্ভ

# আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত জিলিকি উঠক বীৰাংগনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয় ঃ অতুল বৰা




**আমাৰ খবৰ, গোলাঘাট, ১৬ অক্টোবৰ ঃ** গোলাঘাট জিলাৰ সৰুপথাৰ বিধানসভা সমষ্টিত অসম চৰকাৰে প্ৰতিষ্ঠা কৰিবলৈ লোৱা বীৰাংগনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়ৰ বিদ্যায়তনিক গৱেষণা কৰ্ম আজিৰে পৰা আৰম্ভ হৈছে। এই উপলক্ষে গোলাঘাট অভিযান্ত্ৰিক মহাবিদ্যালয়ত এখন সভা অনুষ্ঠিত হয়। অসম মহিলা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অজন্তা বি ৰাজকোঁৱৰে উদ্বোধন কৰা সভাত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি অসম চৰকাৰৰ কৃষি মন্ত্ৰী অতুল বৰাই কয় ঃ মই পঢ়ি থকাৰ সময়ত গোলাঘাটত যে এখন বিশ্ববিদ্যালয় স্থাপন হ'ব সেই কথা সপোনৰো অগোচৰ আছিল। কিন্তু বৰ্তমানে সেয়া সম্ভৱ হৈ উঠিছে। আগতে শিক্ষানুষ্ঠান ৰাইজে স্থাপন কৰিছিল আৰু চৰকাৰে পাছত চৰকাৰীকৰণ কৰিছিল। কিন্তু বৰ্তমান মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰে অন্য শিক্ষানুষ্ঠান স্থাপন কৰাৰ লগতে ৰাইজক বিশ্ববিদ্যালয় স্থাপন কৰি উপহাৰ দিছে। এয়া শিক্ষা ক্ষেত্ৰৰ বাবে অতিকৈ শুভ লক্ষণ। এইখন বিশ্ববিদ্যালয় আন্তঃৰাষ্ট্ৰীয় মানৰ হওক তাকে মই কামনা কৰিছো। কৃষি মন্ত্ৰী বৰাই এই অনুষ্ঠানতে বীৰাংগণা সতী সাধনী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জ্যোতিপ্ৰসাদ শইকীয়াৰ নৱতম উপন্যাস 'দেউতা' উন্মোচন কৰি লগতে কয় ঃ দেউতা এটা আৱেগিক শব্দ। দেউতা শব্দত বহু আৱেগ জড়িত হৈ থাকে। দেউতা এক প্ৰেৰণা। দেউতা এক মধুৰতম শব্দ। দেউতা অবিহনে জীৱনৰ সাৰ্থকতা নাই। সভাৰ আদৰণী ভাষণ প্ৰদান কৰি বিশ্ববিদ্যালয়ৰ কাৰ্যবাহী পৰিষদৰ সদস্য তথা সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনে কয় ঃ আজিৰ দিনটো গোলাঘাট জিলাবাসীৰ বাবে এক গুৰুত্বপূৰ্ণ দিন। কিয়নো কোনেও নভবা কথা এটি বাস্তৱত ৰূপায়িত হোৱাৰ দিশে আগবাঢ়িছে। সতী সাধনী বিশ্ববিদ্যালয়ৰ বৰ্তমানলৈকে হোৱা সকলোখিনি অগ্ৰগতিৰ কৃতিত্ব বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ড° জ্যোতিপ্ৰসাদ শইকীয়াৰ। বিশ্ববিদ্যালয়খনৰ বাবে ইতিমধ্যে ৰাজ্য চৰকাৰে ৫০ কোটি টকা আবণ্টন দিছে বুলি উল্লেখ কৰি বিধায়কগৰাকীয়ে লগতে জনায় যে ইতিমধ্যে সৰুপথাৰ সমষ্টিৰ ৰংদৈ পঞ্চায়ত এলেকাৰ ৫০ বিঘা মাটি গোলাঘাট জিলা প্ৰশাসনে বিশ্ববিদ্যালয়ৰ বাবে অনুমোদন কৰিছে। বিধায়ক ফুকনে লগতে কয় ঃ সতী সাধনী কেৱল চুতীয়া জনগোষ্ঠীৰে নহয়, সাধনী সমগ্ৰ অসমৰ স্বাভিমানৰ প্ৰতীক। সাধনীৰ স্বদেশপ্ৰেম বিশ্বতে বিৰল। এইগৰাকী মহীয়সী ৰমণীৰ ত্যাগ আৰু আত্মবলিদান যুগে যুগে পাথেয় হৈ ৰ'ব। বিধায়কগৰাকীয়ে সতী সাধনীৰ আত্মবলিদানৰ সাতশ বছৰীয়া জয়ন্তী ২০২৩ বৰ্ষৰ ৭ ব'হাগৰ পৰা ২০২৪ চনৰ ৭ ব'হাগলৈ বৰ্ষজোৰাকৈ উদ্‌যাপনৰ পোষকতা কৰে। সভাত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ড° জ্যোতিপ্ৰসাদ শইকীয়াই কয় ঃ বিশ্ববিদ্যালয়খনক অকল উত্তৰ-পূবৰে নহয়, ভাৰতৰ ভিতৰতে এখন নামজলা বিশ্ববিদ্যালয়ৰূপে গঢ় দিয়াৰ নিৰলস প্ৰচেষ্টা চলাইছো। এই বিশ্ববিদ্যালয়খন আত্মবিশ্বাসী আৰু স্ব-নিৰ্ভৰশীল হোৱাৰ ওপৰত অগ্ৰাধিকাৰ দিছো। এই ক্ষেত্ৰত মন্ত্ৰী অতুল বৰা আৰু সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনে আৱশ্যকীয় সহযোগিতা আগবঢ়াইছে। গোলাঘাটত এখন ভাল বিশ্ববিদ্যালয় স্থাপন কৰিম। এই বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰত কোনো আপোচ নকৰো। উপাচাৰ্যগৰাকীয়ে বিশেষকৈ বিদ্যায়তনিক দিশত কোনো অনুৰোধ নকৰিবলৈ সকলোকে আহ্বান জনায়। বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক অৰ্পা বাগ্‌লাৰীয়ে শলাগৰ শৰাই আগবঢ়োৱা সভাৰ আৰম্ভণিতে নৱস্থাপিত বিশ্ববিদ্যালয়খনলৈ বিভিন্ন ক্ষেত্ৰত আগবঢ়োৱা সহযোগিতাৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক ড° দেৱ কুমাৰ চক্ৰৱৰ্তী, ড° সুৰজিৎ বৰকটকী, ড° কল্যাণ ভূঞা, ড° চন্দন কুমাৰ শৰ্মা, ড° সত্যকাম বৰঠাকুৰ, ড° অজ্ঞা বৰা হাজৰিকা, ড° জিতু ৰঞ্জন চেতিয়া, ড° গৌৰীশংকৰ দাস, কৌশিক দাস, গোলাঘাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সত্যজিৎ পাল আদিক অভিনন্দন জনায়। বৰ্তমান বিশ্ববিদ্যালয়খনত ছগৰাকী গৱেষণা শিক্ষাৰ্থীৰে গৱেষণা কৰ্ম আৰম্ভ কৰিছে। তেওঁলোকক সভাত পৰিচয় কৰি দিয়ে হয়। অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ প্ৰাধ্যাপক ড° সুৰজিৎ বৰকটকী আৰু 'স্বৰ্ণলিপি' আলোচনীৰ সম্পাদক হৃদয়ানন্দ গগৈয়ে বক্তব্য প্ৰদান কৰে। শিৱসাগৰ বিবেকানন্দ কেন্দ্ৰীয় বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰী অন্বেষা শইকীয়া আৰু সংগীতৰ স্নাতকোত্তৰ ত্ৰিবেণী বৰাই গীত পৰিৱেশন কৰা সভাৰ আঁত ধৰে ড° হেমন্ত কুমাৰ হাজৰিকাই।